যদি কোনোবাই কোনো এটা নামাজ পঢ়িবলৈ পাহৰি যায়, তেন্তে যেতিয়াই মনত পৰিব তেতিয়াই পঢ়ি লব লাগিব। ইয়াৰ বাহিৰে সেই নামাজৰ আন কোনো কাফ্ফাৰা নাই।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি
অছাল্লামে কৈছেঃ "যদি কোনোবাই কোনো এটা নামাজ পঢ়িবলৈ পাহৰি যায়, তেন্তে
যেতিয়াই মনত পৰিব তেতিয়াই পঢ়ি লব লাগিব। ইয়াৰ বাহিৰে সেই নামাজৰ আন কোনো
কাফ্ফাৰা নাই।" (কিয়নো আল্লাহে কৈছে) "আৰু মোৰ স্মৰণাৰ্থে চালাত কায়েম কৰা"। (ছুৰা ত্বাহাঃ ১৪)
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা স্পষ্ট কৰিছে যে, যদি কোনোবাই ফৰজ নামাজ পঢ়িবলৈ পাহৰি যায় আৰু ইপিনে নামাজৰ সময় পাৰ হৈ যায় তেন্তে সেই নামাজৰ কথা মনত পৰাৰ লগে লগে তেওঁ ততাতৈয়াকৈ সেই নামাজটো পঢ়ি লব লাগিব। মনত পৰাৰ পিছত এই নামাজ নপঢ়াকৈ ইয়াৰ কোনো কাফফাৰাহ নাই। পৱিত্ৰ কোৰআনত মহান আল্লাহে কৈছেঃ "আৰু মোৰ স্মৰণাৰ্থে তোমালোকে চালাত প্ৰতিষ্ঠা কৰা।" (ছুৰা ত্বাহাঃ ১৪)

http://www.sunnah.global/hadeeth/as/show/65088